জাতি, মাটি আৰু দেশৰ সেৱাত

দৈনন্দিন বার্তা

৩

২১ নৱেম্বৰ ২০২৬ ■ শনিবাৰ ■ ৪ আঘোণ, ১৯৪৮ শক

অইলৰ খাৰুৱা তেলৰ পাইপ লাইনত প্ৰায় দুই কিলোমিটাৰ দৈর্ঘ্যত অবৈধ সংযোগেৰে তেল চুৰিৰ অপচেষ্টা

তিনিচুকীয়াৰ শুকানপুখুৰীত তেল চুৰিৰ চক্ৰ উৎখাত

দৈনন্দিন বার্তাৰ বিশেষ সেৱা, ২০ নৱেম্বৰ ঃ তিনিচুকীয়া জিলাৰ চুখানপুখুৰীত অইল ইণ্ডিয়া লিমিটেডৰ খাৰুৱা তেল পৰিবাহী পাইপ লাইনত অবৈধ সংযোগ স্থাপন কৰি তেল চুৰি কৰি অহা এটা চক্ৰৰ তথ্য পোহৰলৈ আহিছে। চাহ বাগিচাৰ মাজেৰে প্ৰায় দুই কিলোমিটাৰ দৈর্ঘ্যৰ এটা গোপন প্লাষ্টিকৰ পাইপ স্থাপন কৰি এই চুৰি কাৰ্য চলোৱা হৈছিল বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি, চুখানপুখুৰী চাহ বাগিচাৰ কাষেৰে পাৰ হৈ যোৱা অইলৰ খাৰুৱা তেল পৰিবাহী পাইপ লাইনত অবৈধভাৱে সংযোগ স্থাপন কৰি এই চক্ৰটোৱে তেল সৰবৰাহ কৰি আহিছিল। চাহ বাগিচাৰ মাজেৰে স্থাপন কৰা দীঘলীয়া প্লাষ্টিকৰ পাইপৰ সহায়ত নিৰাপত্তাৰক্ষীৰ চকুত ধূলি দি খাৰুৱা তেল চুৰি কৰা হৈছিল বুলি সন্দেহ কৰা হৈছে। অবৈধ কাৰ্যকলাপৰ বিষয়ে তথ্য লাভ কৰাৰ পিছতে আৰক্ষী আৰু অইল ইণ্ডিয়া লিমিটেডৰ বিষয়া-কৰ্মচাৰী ঘটনাস্থলীত উপস্থিত হয়। তেওঁলোকে অভিযান চলাই অবৈধ সংযোগটো বিচ্ছিন্ন কৰে। সংযোগস্থলৰ পৰা নিৰ্গত হোৱা খাৰুৱা তেলো উদ্ধাৰ কৰি পৰৱৰ্তী তদন্তৰ বাবে আৰক্ষীৰ হাতত গতাই দিয়া হয়। এই অবৈধ সংযোগ কোনে স্থাপন কৰিছিল, কিমান দিন ধৰি তেল চুৰি চলি আছিল আৰু চুৰি কৰা তেল ক'লৈ সৰবৰাহ কৰা হৈছিল, সেই সন্দর্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে তিনিচুকীয়া অসমৰ অন্যতম প্ৰধান তেল উৎপাদনকাৰী জিলা। জিলাখনৰ মাজেৰে পাৰ হৈ যোৱা তেল পৰিবাহী পাইপ লাইনসমূহৰ নিৰাপত্তাক লৈ পূৰ্বৰে পৰা উদ্বেগ প্ৰকাশ কৰি অহা হৈছে। অবৈধভাৱে পাইপ লাইনত সংযোগ স্থাপন কৰি তেল চুৰি কৰাটো কেৱল কোম্পানীটোৰ আৰ্থিক লোকচানৰ কাৰণেই নহয়, ই পৰিবেশ আৰু জনসুৰক্ষাৰ প্ৰতিও গুৰুতৰ ভাবুকি সৃষ্টি কৰিব পাৰে। খাৰুৱা তেল নিৰ্গত হ'লে মাটি আৰু জলাশয় প্ৰদূষিত হোৱাৰ আশংকা থাকে।



গুৱাহাটী প্ৰেছ ক্লাবত নাগৰিকত্ব সংশোধনী আইন বিৰোধী সমন্বয় সমিতি, অসমৰ সদস্যসকলৰ সৈতে মত বিনিময় সমাজকৰ্মী প্ৰণৱ দলেৰ

মৰিগাঁৰত গছত খুন্দা মাৰি বাহন দুৰ্ঘটনাগ্ৰস্ত

দুই কণমানি ভগ্নীৰ মৃত্যু, মাতৃৰ অৱস্থা সংকটজনক পিতৃয়ে সুৰাপান কৰি গাড়ী চলোৱাৰ অভিযোগ

দৈনন্দিন বার্তাৰ বিশেষ সেৱা, ২০ নৱেম্বৰ ঃ মৰিগাঁও জিলাৰ কপাহেৰা অঞ্চলত বুধবাৰে নিশা সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত দুটি কণমানি ভগ্নীৰ মৃত্যু হয়। পৰিয়ালটোৱে যাত্ৰা কৰা বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষৰ এজোপা গছত খুন্দা মৰাৰ ফলত এই শোকাৱহ ঘটনা সংঘটিত হয়। দুৰ্ঘটনাটোত দুইশিশুৰ মাতৃ গুৰুতৰভাৱে আহত হোৱাৰ লগতে পিতৃও আঘাতপ্ৰাপ্ত হয়। মৃত শিশু দুগৰাকীক ন-বছৰীয়া নেহা বৰুৱা আৰু দুমহীয়া হৰ্ষিতা বৰুৱা বুলি চিনাক্ত কৰা হৈছে। দুৰ্ঘটনাটোৰ ফলত দুয়োগৰাকী শিশুৰ থিতাতে মৃত্যু হোৱা বুলি আৰক্ষীয়ে জানিবলৈ দিছে। প্ৰাথমিক তথ্য অনুসৰি, পৰিয়ালটো বাহনেৰে ঘৰলৈ উভতি আহি থকাৰ সময়তে মিকিৰভেটা থানাৰ অন্তৰ্গত কপাহেৰা অঞ্চলৰ সমীপত বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই গছত খুন্দা মাৰে। মাজনিশা এই দুৰ্ঘটনা সংঘটিত হয়। আৰক্ষীৰ মতে, বাহনখন চলাই আছিল শিশু দুটিৰ পিতৃয়ে। তেওঁ সুৰাপান কৰি বাহন চলাই থকা বুলি অভিযোগ উত্থাপন হৈছে। দুৰ্ঘটনাটোৰ সময়ত বাহনখনত তেওঁৰ পত্নী আৰু দুই কন্যাও আছিল। দুৰ্ঘটনাটোত মাতৃগৰাকী গুৰুতৰভাৱে আহত হয়। তেওঁক ততাতৈয়াকৈ চিকিৎসাৰ বাবে নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। পিতৃও দুৰ্ঘটনাটোত আঘাতপ্ৰাপ্ত হয়। ঘটনাৰ পিছতে স্থানীয় লোক ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযানত সহায় কৰে। আৰক্ষীয়েও ঘটনাস্থলীত উপস্থিত হৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে। মৃত শিশু দুগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। দুৰ্ঘটনাটোৰ প্ৰকৃত কাৰণ আৰু পৰিস্থিতি নিৰ্ণয় কৰিবলৈ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। এই শোকাৱহ ঘটনাই সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পেলাইছে। সুৰাপান কৰি বাহন চলোৱাৰ ভয়াবহ পৰিণতিৰ বিষয়টোও পুনৰ চৰ্চালৈ আহিছে। আৰক্ষীয়ে তদন্তৰ সময়তে বাহন চালকৰ সুৰাপানৰ অভিযোগৰ সত্যতা পৰীক্ষা কৰিব বুলি জানিব পৰা গৈছে।

দুলীয়াজানৰ বামুন গাঁৰত ওলাই আহিল জনতা

নৃশংস হত্যাকাণ্ডৰ দুই খলনায়কক ফাঁচিৰ দাবী

দৈনন্দিন বার্তাৰ সেৱা, দুলীয়াজান, ২০ নৱেম্বৰ ঃ দুলীয়াজানৰ বামুন গাঁৰত আজি পথলৈ ওলাল ক্ষুব্ধ জনতা। দুলীয়াজানৰ চাঞ্চল্যকৰ নৃশংস হত্যাকাণ্ডৰ লগত জড়িত ৰাজু দাস আৰু অমীৰ দাসৰ ফাঁচী দাবীত ৰাইজে উত্তাল কৰিলে পৰিৰেশ। বামুন গাঁৰৰ নাম জনমানসত হেয় প্ৰতিপন্ন কৰাৰ বাবে পদযাত্ৰা উলিয়ায় তিনি শতাধিক লোকে। উল্লেখযোগ্য যে ১৬ নৱেম্বৰত দুলীয়াজানৰ কমলাবাৰীৰ চন্দ্ৰকান্ত ভূঞাৰ আবাসত



সংঘটিত নৃশংস হত্যাকাণ্ডৰ আঁৰৰ দুই খলনায়ক ৰাজু দাস আৰু অমীৰ দাসক মুকলি পথাৰত ফাঁচিৰ দাবী কৰি ৰাইজে কয় যে ৰাজু দাসে কলংকিত কৰিলে জন্ম গাওঁৰ নাম ।বামুন গাঁৰৰ ডিগৰৈ মুখত বাস কৰিছিল ৰাজু দাসৰ পৰিয়ালটোৱে। এসময়ত শিশু অপহৰণৰ অভিযোগত তিনিমাহ কাৰাগাৰৰ ভাত খাবলগীয়া হৈছিল ৰাজুৱে। ৰাজু দাসে নিজৰ গাওঁত বিভিন্ন অপৰ্কমত জড়িত থকাৰ অভিযোগত গাওঁৰ ৰাইজে পৰিয়ালসহ খেদি পলাইছিল গাওঁৰ পৰা। দুলীয়াজানত বাস কৰা ৰাজু মাহীয়েকৰ পুত্ৰ অমীৰ লগাঁহে একে পৰিয়ালৰ তিনিজনক হত্যাকাণ্ড সংঘটিত কৰাৰ পিছত গাওঁৰ নাম জনমানসত হেয় কৰাত আজি দুয়োকে ফাঁচীৰ দাবী কৰে বামুন গাওঁবাসীয়ে।

এমিনচু এণ্ড প্লাষ্টিচাইজাৰ্ছ লিমিটেড
চিআইএন ঃ **L24229AS1973PLC001446,**
পঞ্জীয়নভুক্ত কার্যালয় ঃ টি-১১, ৩য় মহলা, গ্ৰেড প্লাজা, পল্টন বজাৰ, জিএছ ৰোড, গুৱাহাটী- ৭৮১০০৮, অসম।
কর্পৰেট কার্যালয় ঃ ডি ব্লিডিং, শিবসাগৰ এষ্টেট, ৬ষ্ঠ মহলা, ড° এনি বেছাণ্ট ৰোড, বৰলি, মুম্বাই- ৪০০০১৮, মহাৰাষ্ট্ৰ। দূৰভাষ ঃ ০২২৬৬২২১০০০/৪১ । ফেক্স ঃ ০২২ ২৪৯৩৮১৬২
ই-মেইল ঃ **cs@amines.com** । ৱেবচাইট ঃ **www.amines.com**
ধ্যেয়াৰহ'ল্ডাৰসকলৰলৈ জানানী
ভৌতিক চিকিউৰিটিজৰ হস্তান্তৰ আৰু ডিমেটেৰিয়েলাইজেচনৰ বাবে বিশেষ উদ্যোগ
৩০ জানুৱাৰী, ২০২৬ তাৰিখৰ জানানী নং এই চআ'/৩৮/১৩/১১(২)২০২৬-এমআই আৰএইচ-পিআই/আই/৩৭৫০/২০২৬ (**চেবিৰ জানানী**) অনুসৰি, এমিনছ এণ্ড প্লাষ্টিচাইজাৰ্ছ লিমিটেডৰ (**'কোম্পানী'**) যিসকল ধ্যেয়াৰহ'ল্ডাৰে ০১ এপ্ৰিল, ২০১৯ তাৰিখৰ পূৰ্বে ধ্যেয়াৰ হস্তান্তৰ দলিল সম্পাদন কৰিছিল আৰু (১) ধ্যেয়াৰ হস্তান্তৰৰ বাবে দাখিল কৰা নাছিল; অথবা (২) পূৰ্বে ধ্যেয়াৰ হস্তান্তৰৰ বাবে দাখিল কৰিছিল যদিও নথিপত্ৰ/প্ৰক্ৰিয়া আপোনাহ বা অন্য কাৰণত সেইসমূহ নাকচ/ঘুৰাই দিয়া/বিবেচনা নকৰাকৈ থকা হৈছিল, তেওঁলোকৰ ভৌতিক চিকিউৰিটিজৰ হস্তান্তৰ আৰু ডিমেটেৰিয়েলাইজেচনৰ (**ডিমেট**) বাবে চেবিয়ে ০৫.০২.২০২৬ **তাৰিখৰ পৰা ০৪.০২.২০২৭ তাৰিখলৈ আন এক বিশেষ উদ্যোগ**' মুকলি কৰিছে। অনুগ্ৰহ কৰি লক্ষ্য কৰিব যে ০১.০৪.২০১৯ তাৰিখৰ পূৰ্বে সম্পাদন কৰা হস্তান্তৰ দলিল(সমূহ), মূল ধ্যেয়াৰ প্ৰমাণপত্ৰ(সমূহ) আৰু অন্যান্য সহায়ক নথিপত্ৰসহ দাখিল কৰা অনুবোধসমূহই কেৱল এই বিশেষ উদ্যোগৰ অধীনত বিবেচনা কৰা হ'ব। এনেদৰে হস্তান্তৰ কৰা ধ্যেয়াৰসমূহ বাধিত নোহোৱাকৈ কেৱল ডিমেট মাধ্যমতহে গ্ৰহীতাৰ একাউণ্টত জমা কৰা হ'ব আৰু হস্তান্তৰ পঞ্জীয়নৰ তাৰিখৰ পৰা ১ বছৰৰ বাবে লক-ইন অবস্থাত থাকিব। উক্ত লক-ইন সময়ছোৱাত এনে ধ্যেয়াৰসমূহ হস্তান্তৰ/লিয়েন-মাৰ্ক/বন্ধক বাধিব নোৱাৰিব। চেবিৰ জানানীখন কোম্পানীৰ ৱেবচাইট https://www.amines.com/special-window-for-transfer-and-dematerialisation-of-physical-securities.html তো উপলব্ধ কৰা হৈছে।
এমিনছ এণ্ড প্লাষ্টিচাইজাৰ্ছ লিমিটেডৰ হৈ
ওমকাৰ মহাদ্যুংকাৰ
কোম্পানী সচিব আৰু অনুপালন বিষয়া
আইপিএছঅাই সদস্যপদ নং ঃ এ২৬৬৪৫
স্থান ঃ মুম্বাই
তাৰিখ ঃ ২০ নৱেম্বৰ, ২০২৬

কেনেৰা বেঙ্ক Canara Bank
সম্পদ উদ্ধাৰ পৰিচালনা শাখা
২১, কামাক ষ্ট্ৰীট, কলকাতা-৭০০০১৬
ই-মেইল ঃ **cb2364@canarabank.com**
শুদ্ধিপত্ৰ
মেছাৰ্চ এৰিষ্ট'ইণ্ডাষ্ট্ৰীজ (বৰগুবি) (ক্ৰমিক নং ৩)-ৰ সম্পত্তি সংক্ৰান্তীয় ০৬.১১.২০২৬ তাৰিখৰ ই-নিলাম বিক্ৰীৰ জাননী, যিখন ১০.১১.২০২৬ তাৰিখে এই বাতৰিকাকতত প্ৰকাশ পাই ছিল আৰু যাৰ ই-নিলাম ২৬.১১.২০২৬ তাৰিখে অনুষ্ঠিত হ'ব, তাৰ প্ৰসংগত সংৰক্ষিত মূল্য ১,৭৭,৪০,০০০.০০ টকা (এক কোটি সাতসত্তৰ লাখ চল্লিশ হাজাৰ টকা মাত্ৰ)-ৰ পৰিবৰ্তে ১,৭০,০০,০০০.০০ টকা (এক কোটি সত্তৰ লাখ টকা মাত্ৰ) বুলি পঢ়িব। ইএমডিৰ পৰিমাণ ১৭,৭৪,০০০.০০ টকা (সোতৰ লাখ চৌসত্তৰ হাজাৰ টকা মাত্ৰ)-ৰ পৰিবৰ্তে ১৭,০০,০০০.০০ টকা (সোতৰ লাখ টকা মাত্ৰ) বুলি পঢ়িব।
ই -নিলামৰ অন্যান্য সকলো চৰ্তাবলী অপৰিবৰ্তিত থাকিব।
অসুবিধাৰ বাবে দুখ প্ৰকাশ কৰা হ'ল।
তাৰিখ ঃ ২১.১১.২০২৬ কৰ্তৃত্বপ্ৰাপ্ত বিষয়া
স্থান ঃ কলকাতা কানাড়া বেংক

MANAPPURAM ASSET FINANCE LTD.
Regd. Office: Door No. III/105, Opp: Nattika Firka Co -Op Rural Bank, Valapad (P O)-680567 Thrissur Dt Kerala CIN : U65921KL1987PLC004810
নিলামৰ জাননী
সাধাৰণভাবে জনসাধাৰণক আৰু বিশেষভাবে বন্ধক দিওঁতা ব্যক্তিসকলক ইয়াৰ দ্বাৰাই জাননী দিয়া হ'ল যে নিম্নোক্ত একাউণ্টত বন্ধকত ৰখা সোণৰ গহনাৰ ৰাজহুৱা নিলাম নিম্নোক্ত শাখাত 05/12/2026-ত পুৱা 10.00 বজাৰ পৰা অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে পঞ্জীকৃত পত্ৰযোগে জাননী দিয়া সত্ত্বেও নিজৰ লোনৰ ধন পৰিশোধ কৰিবলৈ অপাৰগ হোৱা গ্ৰাহকসকলৰ সোণৰ গহনা আমি নিলাম কৰিবলৈ ওলাইছো। নিলামত ৰৈ যোৱা গহনা পুনৰ কোনো জাননী নিদিয়াকৈ আন যিকোনো দিনতে নিলাম কৰা হ'ব। নিলামৰ হুঁচ বা তাৰিখৰ ক্ষেত্ৰত ঘটা পৰিবৰ্তন (যদিহে ঘটে) নিলাম কেন্দ্ৰত আৰু আমাৰ ৱেবচাইটত প্ৰদর্শন কৰা হ'ব পুনৰ কোনো জাননী নিদিয়াকৈ।
বন্ধকীয়া তালিকা:-
পল্টন বজাৰ: 0435550700000497, এ টি পথ: 0435560700000354
ওপৰৰ উল্লেখিত নিলামত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক ব্যক্তিসকলে তলত উল্লেখিত চৰ্তসমূহ মানি চলিব লাগিব:- আগ্ৰহী বিডাৰ সকলে নিলামৰ একেদিনাই এনইএফটিআৰটিজিএচ -ৰ জৰিয়তে 10,000/- টকা ইএমডি হিচাবে জমা দিব লাগিব (অসফল বিডাৰ সকলক টকা ঘুৰাই দিয়া হব)। বিডাৰ সকলে ৱৈধ আইডি কার্ড*পেন কার্ড লগত ৰাখিব লাগিব। অধিক তথ্যৰ বাবে অনুগ্ৰহ কৰি 9072607147 নম্বৰত যোগাযোগ কৰক।
অনুমোদিত বিষয়া
Manappuram Asset Finance Ltd

বাহনৰ ই-নিলামৰ সংক্ষিপ্ত জাননী

বেঙ্ক অঁফ বড়ৌদা Bank of Baroda
ৰঙাজান শাখা
ৰঙাজান তিনিআলি, ডাকঘৰ- মৰঙী, জিলা- গোলাঘাট, অসম- ৭৮৫৭০২
ইমেইল: vjrago@bankofbaroda.bank.in

ইয়াৰ দ্বাৰা সাধাৰণভাবে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে পক্ষসমূহে কার্যকৰী কৰা হাইপোথেকেচন/ঋণ চুক্তিৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি বেংকে তলত উল্লেখ কৰা হাইপোথেকেটেড মটৰ বাহনসমূহ পুনৰ দখল/জব্দ কৰিছে আৰু তলত উল্লেখ কৰা একাউণ্ট/সমূহৰ দেয় পুনৰ আদায়ৰ বাবে '**যত আছে**', "**যি আছে**" আৰু "**যেনে আছে**" তেনেই ভিত্তিত বাহনসমূহ বিক্ৰী কৰা হ'ব। ঋণী/সকল/ জামিনদাৰ/সকল/ বাহনসমূহ/ মুঠ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে -

ক্ৰ. নং	ঋণীৰ নাম আৰু ঠিকনা	মুঠ দেয় (লাখত)	বাহনৰ নিৰ্মাণ আৰু মডেল পঞ্জীয়ন নং	ই-নিলামৰ তাৰিখ আৰু সময়	১) সংৰক্ষিত মূল্য ২) আমানত ধন জমা (ইএমডি) ৩) ডাক বৃদ্ধিৰ পৰিমাণ	ইএমডি জমা একাউণ্ট নং আৰু আইএফএছচি কোড শাখাৰ নাম	পৰিদৰ্শনৰ তাৰিখ আৰু সময়
১.	**তৰুণ কলিতা** গোলাঘাট	৫.১৭	**নিৰ্মাণ:** টাটা মটৰছ লিমিটেড **মডেল:** টিয়াগো এক্স ই ১.২ **পঞ্জীয়ণ নং:** এএছ০৫ডি৪৪৯৫	০৫-১২-২০২৬ **সময়:** দুপুৰীয়া ১২ বজাৰ পৰা বিয়লি ৪ বজালৈ	১) ৩,১০,০০০/- টকা ২) ৩১,০০০/- টকা ৩) ১০,০০০/- টকা	একাউণ্ট নং: ৬৫৪৮০০১৫১৮১২১৯ আইএফএছচি: BARB0VJRAGO	০৩-১২-২০২৬ **সময়:** পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ

বিক্ৰীৰ বিশদ চর্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ৱেবছাইট লিংক **https://baanknet.com** চাওঁক। সম্ভাব্য নিবিদাকাৰীসকলে **শাখা মুৰব্বী**ৰ মোবাইল নম্বৰ: ৮৫২৭৮২৮৮৪৩-ত যোগাযোগ কৰিব পাৰে।
*** বেংকৰ নীতি অনুসৰি প্ৰযোজ্য জি এছ টি।**
তাৰিখ ঃ ২০-১১-২০২৬, স্থান ঃ ৰঙাজান **শাখা মুৰব্বী, বেংক অফ বৰোদা**

বেঙ্ক অঁফ বড়ৌদা Bank of Baroda
তিনিচুকীয়া শাখা
প্লাজা কমপ্লেক্স, ৰঙাগড়া ৰোড, তিনিচুকীয়া- ৭৮৬১২৫, অসম, ইমেইল: tinsuk@bankofbaroda.bank.in

ইয়াৰ দ্বাৰা সাধাৰণভাবে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে পক্ষসমূহে কার্যকৰী কৰা হাইপোথেকেচন/ঋণ চুক্তিৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি বেংকে তলত উল্লেখ কৰা হাইপোথেকেটেড মটৰ বাহনসমূহ পুনৰ দখল/জব্দ কৰিছে আৰু তলত উল্লেখ কৰা একাউণ্ট/সমূহৰ দেয় পুনৰ আদায়ৰ বাবে '**যত আছে**', "**যি আছে**" আৰু "**যেনে আছে**" তেনেই ভিত্তিত বাহনসমূহ বিক্ৰী কৰা হ'ব। ঋণী/সকল/ জামিনদাৰ/সকল/ বাহনসমূহ/ মুঠ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে -

ক্ৰ. নং	ঋণীৰ নাম আৰু ঠিকনা	মুঠ দেয় (লাখত)	বাহনৰ নিৰ্মাণ আৰু মডেল পঞ্জীয়ন নং	ই-নিলামৰ তাৰিখ আৰু সময়	১) সংৰক্ষিত মূল্য ২) আমানত ধন জমা (ইএমডি) ৩) ডাক বৃদ্ধিৰ পৰিমাণ	ইএমডি জমা একাউণ্ট নং আৰু আইএফএছচি কোড শাখাৰ নাম	পৰিদৰ্শনৰ তাৰিখ আৰু সময়
১.	**পাৰ্থ দাস** তিনিচুকীয়া	৭.৫৮	**নিৰ্মাণ:** ভি ই কমার্চিয়েল **মডেল:** প্ৰো৫০১৬এইচএইচডিডব্লিউএফ **পঞ্জীয়ণ নং:** এএছ২৩চিচি১৮৭৩	০৫-১২-২০২৬ **সময়:** দুপুৰীয়া ১২ বজাৰ পৰা বিয়লি ৪ বজালৈ	১) ৩,৬৫,০০০/- টকা ২) ৩৬,৫০০/- টকা ৩) ১০,০০০/- টকা	একাউণ্ট নং: ০৯৯৯০০১৫১৮১২১৯ আইএফএছচি: BARB0TINSUK	০৩-১২-২০২৬ **সময়:** পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ

বিক্ৰীৰ বিশদ চর্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ৱেবছাইট লিংক **https://baanknet.com** চাওঁক। সম্ভাব্য নিবিদাকাৰীসকলে **শাখা মুৰব্বী**ৰ মোবাইল নম্বৰ: ৮৬৩৮৮৬৪৫৩০-ত যোগাযোগ কৰিব পাৰে।
*** বেংকৰ নীতি অনুসৰি প্ৰযোজ্য জি এছ টি।**
তাৰিখ ঃ ২০-১১-২০২৬, স্থান ঃ তিনিচুকীয়া **শাখা মুৰব্বী, বেংক অফ বৰোদা**

বেঙ্ক অঁফ বড়ৌদা Bank of Baroda
তেজপুৰ মেইন ৰোড শাখা
এম. জি. ৰোড, মেইন ৰোড, তেজপুৰ, অসম, পিন- ৭৮৪০০১
ইমেইল: vjtezp@bankofbaroda.bank.in

ইয়াৰ দ্বাৰা সাধাৰণভাবে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে পক্ষসমূহে কার্যকৰী কৰা হাইপোথেকেচন/ঋণ চুক্তিৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি বেংকে তলত উল্লেখ কৰা হাইপোথেকেটেড মটৰ বাহনসমূহ পুনৰ দখল/জব্দ কৰিছে আৰু তলত উল্লেখ কৰা একাউণ্ট/সমূহৰ দেয় পুনৰ আদায়ৰ বাবে '**যত আছে**', "**যি আছে**" আৰু "**যেনে আছে**" তেনেই ভিত্তিত বাহনসমূহ বিক্ৰী কৰা হ'ব। ঋণী/সকল/ জামিনদাৰ/সকল/ বাহনসমূহ/ মুঠ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে -

ক্ৰ. নং	ঋণীৰ নাম আৰু ঠিকনা	মুঠ দেয় (লাখত)	বাহনৰ নিৰ্মাণ আৰু মডেল পঞ্জীয়ন নং	ই-নিলামৰ তাৰিখ আৰু সময়	১) সংৰক্ষিত মূল্য ২) আমানত ধন জমা (ইএমডি) ৩) ডাক বৃদ্ধিৰ পৰিমাণ	ইএমডি জমা একাউণ্ট নং আৰু আইএফএছচি কোড শাখাৰ নাম	পৰিদৰ্শনৰ তাৰিখ আৰু সময়
১.	**প্ৰদীপ কাকতি** তেজপুৰ	৫.৯৪	**নিৰ্মাণ:** টাটা মটৰছ **মডেল:** পাঞ্চ এচিচি ১.২ এমটি ডি জেড **পঞ্জীয়ণ নং:** এএছ১২এএইচ৭৭৭৬	০৫-১২-২০২৬ **সময়:** দুপুৰীয়া ১২ বজাৰ পৰা বিয়লি ৪ বজালৈ	১) ৪,৪২,০০০/- টকা ২) ৪৪,২০০/- টকা ৩) ১০,০০০/- টকা	একাউণ্ট নং: ৬৫৫২০০১৫১৮১২১৯ আইএফএছচি: BARB0VJTEZP	০৩-১২-২০২৬ **সময়:** পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ

বিক্ৰীৰ বিশদ চর্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ৱেবছাইট লিংক **https://baanknet.com** চাওঁক। সম্ভাব্য নিবিদাকাৰীসকলে **শাখা মুৰব্বী**ৰ মোবাইল নম্বৰ: ৯৭০৬২৩৫৩০১-ত যোগাযোগ কৰিব পাৰে।
*** বেংকৰ নীতি অনুসৰি প্ৰযোজ্য জি এছ টি।**
তাৰিখ ঃ ২০-১১-২০২৬, স্থান ঃ তেজপুৰ **শাখা মুৰব্বী, বেংক অফ বৰোদা**

বেঙ্ক অঁফ বড়ৌদা Bank of Baroda
শিৱসাগৰ শাখা
এ. টি. ৰোড, আমোলাপট্টি, এন আৰ এল পেট্ৰল পাম্পৰ ওচৰত, শিৱসাগৰ, অসম- ৭৮৫৬৪০, ইমেইল: sibsag@bankofbaroda.bank.in

ইয়াৰ দ্বাৰা সাধাৰণভাবে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে পক্ষসমূহে কার্যকৰী কৰা হাইপোথেকেচন/ঋণ চুক্তিৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি বেংকে তলত উল্লেখ কৰা হাইপোথেকেটেড মটৰ বাহনসমূহ পুনৰ দখল/জব্দ কৰিছে আৰু তলত উল্লেখ কৰা একাউণ্ট/সমূহৰ দেয় পুনৰ আদায়ৰ বাবে '**যত আছে**', "**যি আছে**" আৰু "**যেনে আছে**" তেনেই ভিত্তিত বাহনসমূহ বিক্ৰী কৰা হ'ব। ঋণী/সকল/ জামিনদাৰ/সকল/ বাহনসমূহ/ মুঠ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে -

ক্ৰ. নং	ঋণীৰ নাম আৰু ঠিকনা	মুঠ দেয় (লাখত)	বাহনৰ নিৰ্মাণ আৰু মডেল পঞ্জীয়ন নং	ই-নিলামৰ তাৰিখ আৰু সময়	১) সংৰক্ষিত মূল্য ২) আমানত ধন জমা (ইএমডি) ৩) ডাক বৃদ্ধিৰ পৰিমাণ	ইএমডি জমা একাউণ্ট নং আৰু আইএফএছচি কোড শাখাৰ নাম	পৰিদৰ্শনৰ তাৰিখ আৰু সময়
১.	**ৰলিন দোৱাৰী** শিৱসাগৰ	২৩.০৬	**নিৰ্মাণ:** টাটা মটৰছ **মডেল:** টাটা এল পি টি ১৯১৬ ডি চি আৰ **পঞ্জীয়ণ নং:** এএছ০৪চিচি১০২২	০৫-১২-২০২৬ **সময়:** দুপুৰীয়া ১২ বজাৰ পৰা বিয়লি ৪ বজালৈ	১) ১৪,১৫,০০০/- টকা ২) ১,৪১,৫০০/- টকা ৩) ১০,০০০/- টকা	একাউণ্ট নং: ৩৬৯১০০১৫১৮১২১৯ আইএফএছচি: BARB0SIBSAG	০৩-১২-২০২৬ **সময়:** পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ

বিক্ৰীৰ বিশদ চর্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ৱেবছাইট লিংক **https://baanknet.com** চাওঁক। সম্ভাব্য নিবিদাকাৰীসকলে **শাখা মুৰব্বী**ৰ মোবাইল নম্বৰ: ৭০০২২৮০৩৫৪-ত যোগাযোগ কৰিব পাৰে।
*** বেংকৰ নীতি অনুসৰি প্ৰযোজ্য জি এছ টি।**
তাৰিখ ঃ ২০-১১-২০২৬, স্থান ঃ শিৱসাগৰ **শাখা মুৰব্বী, বেংক অফ বৰোদা**

বাজাজ ফাইনেঞ্চ লিমিটেড
পঞ্জীয়নভুক্ত কার্যালয় ঃ বাজাজ ফাইনেঞ্চ লিমিটেড, মাৰফৎ- বাজাজ অটো লিমিটেড কমপ্লেক্স, মুম্বাই পুনে ৰোড, আকুর্ডি, পুনে- ৪১১০০৫
শাখাৰ ঠিকনা ঃ বাজাজ ফাইনেঞ্চ লিমিটেড, বাহিহাটা চাৰিআলি, অসম
দখলৰ জাননী (স্থাৱৰ সম্পত্তিৰ বাবে)
(চিকিউবিটি ইণ্টাৰেষ্ট এনফৰ্চমেণ্ট কলছ, ২০০২-ৰ নিয়ম ৮(১)-ৰ সৈতে পঠিত পৰিশিষ্ট ৪ অনুসৰি)
যিহেতু, **বাজাজ ফাইনেঞ্চ লিমিটেড (বিএফএএল)** কর্তৃত্বপ্ৰাপ্ত বিষয়া হিচাপে নিম্নস্বাক্ষৰকাৰীয়ে চিকিউবিটিজেচন এণ্ড ৰিকনষ্ট্ৰাকচন অফ ফাইনেঞ্চিয়েল এচেটছ এণ্ড এনফৰ্চমেণ্ট অফ চিকিউবিটি ই